অধ্যায় ২ ঃ টেলিভিছন

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য
2.2 পৰিচয়
2.3 টেলিভিছনৰ পৰিচয়
2.4 ভাৰতত টেলিভিছনৰ চমু ইতিহাস
2.5 দূৰদর্শন
2.6 টেলিভিছন অনুষ্ঠান
    2.6.1 সংবাদৰ উপাদান
    2.6.2 সাময়িক প্রসংগৰ ওপৰত আধাৰিত অনুষ্ঠান
2.7 টেলিভিছন অনুষ্ঠানৰ প্রযোজনা
2.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
2.9 অধিক জানিবলৈ
2.10 অগ্রগতিৰ খতিয়ান
2.11 সম্ভাব্য প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ----

- এটা প্রচাৰ মাধ্যম ৰূপে টেলিভিছন সম্পর্কে আলোচনা কৰিব পাৰিব
- ভাৰতত টেলিভিছনৰ ইতিহাস বর্ণনা কৰিব পাৰিব
- বিভিন্ন ধৰণৰ টেলিভিছন অনুষ্ঠান চিহ্নিত কৰিব পাৰিব
- টেলিভিছন অনুষ্ঠান প্রযোজনাৰ বিভিন্ন পর্যায় ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

পূর্বৰ অধ্যায়ত আপুনি ছপা মাধ্যম আৰু ৰেডিঅ'ৰ লগত পৰিচিত হৈছিল। এই অধ্যায়ত আমি আন এটা প্রচাৰ মাধ্যম টেলিভিছনৰ বিষয়ে আলোচনা কৰিম।

টেলিভিছন হ'ল এটা আড়ম্বৰপূর্ণ আৰু অতি শক্তিশালী প্রচাৰ মাধ্যম। এই অধ্যায়ত আপুনি দৃশ্য -শ্রব্য মাধ্যম হিচাপে টেলিভিছনৰ প্রকৃতি, ভাৰতত টেলিভিছনৰ ইতিহাস তথা

বিকাশ আৰু ভাৰতৰ ৰাজহুৱা সম্প্ৰচাৰ সেৱা দূৰদৰ্শন সম্পৰ্কে কিছু কথা জনোৱাৰ প্ৰয়াস কৰা হ'ব। লগতে আমি সংবাদ তথা সাময়িক প্ৰসংগৰ অনুষ্ঠানবোৰৰ কথা বিশেষভাবে উনুকিয়াই বিভিন্ন ধৰণৰ টিভি অনুষ্ঠানৰ বিষয়েও আলোচনা কৰিম। শেষত আমি টিভি অনুষ্ঠান প্ৰযোজনাৰ প্ৰাথমিক পৰ্যায়সমূহৰ বিষয়ে আলোচনা কৰিম।

তেনেহ'লে টেলিভিছন মাধ্যমৰ পৰিচয়েৰে এই অধ্যায়টিৰ পাতনি মেলোঁ আহকচোন।

২.৩ টেলিভিছনৰ পৰিচয়

আপুনি দৈনন্দিন জীৱনত মনোৰঞ্জন আৰু তথ্যৰ যোগান ধৰা টেলিভিছন নামৰ আহিলাবিধৰ সৈতে পৰিচিত। কিন্তু গণসংযোগ পাঠ্যক্ৰমৰ শিক্ষাৰ্থী হিচাপে আপুনি মাধ্যমটোৰ মৌলিক প্ৰকৃতিৰ সৈতে চিনাকি হ'ব লাগিব, কোনবোৰ বৈশিষ্ট্যই ইয়াক অন্য মাধ্যমতকৈ পৃথক কৰিছে সেয়া জানিব লাগিব। টেলিভিছনৰ কিছুমান উল্লেখযোগ্য বৈশিষ্ট্য আছে ঃ

i) টেলিভিছন এটা দৃশ্য-শ্ৰব্য মাধ্যম। ই একে সময়তে দৃশ্যমান আৰু শ্ৰৱণসাধ্য ধাৰণাৰ সৃষ্টি কৰিব পাৰে। অৰ্থাৎ দৰ্শকে কেৱল বক্তাৰ কথাই নুশুনে, কি ঘটি আছে সেয়াও দেখা পায়।

ii) এখন ছবি সহস্ৰ শব্দৰ সমান বুলি কোৱা হয়। অৰ্থাৎ গতিশীল ছবিৰ কিমান কথা বুজোৱাৰ সামৰ্থ থাকে সেয়া সহজেই অনুমেয়। ধ্বনি, ৰং আৰু গতিশীলতা — এই তিনিটা উপাদানে টেলিভিছনক অন্য প্ৰচাৰ মাধ্যমতকৈ অধিক বিশ্বাসযোগ্যতা প্ৰদান কৰিছে।

iii) টেলিভিছনৰ অগণন, বিচিত্ৰ, সকলো বয়সৰ তথা অজ্ঞাত দৰ্শক গোট আছে। বিভিন্ন সামাজিক প্ৰেক্ষাপট, বয়স, সংস্কৃতি, ধৰ্মৰ লোকে টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰে। সেয়েহে কোনো এটা বিশেষ ছেনেলে এক নিৰ্দিষ্ট সময়ত সম্প্ৰচাৰ কৰা কোনো এক বিশেষ অনুষ্ঠানৰ দৰ্শকৰ সংখ্যা নিৰ্ণয় কৰাতো অসম্ভৱ নহ'লেও অতি দুৰূহ কাম।

iv) টেলিভিছন চলাবলৈ বিদ্যুৎ শক্তি ৰ প্ৰয়োজন। সেয়েহে অনুন্নত তথা উন্নয়নশীল দেশৰ বহুতো বাসিন্দাৰ বাবে ই এতিয়াও সুলভ মাধ্যম হৈ উঠা নাই। অৱশ্যে বেটাৰীৰ সহায়তো টেলিভিছন চলাব পৰা যায়।

v) বাতৰি কাকত অথবা ৰেডিঅ'ৰ তুলনাত টেলিভিছন এটা খৰছী মাধ্যম।

vi) টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰিবলৈ সাক্ষৰ হোৱাৰ প্ৰয়োজন নাই।

vii) টেলিভিছন ছেটবোৰ সাধাৰণতে যথেষ্ট গধুৰ। সেয়েহে ৰেডিঅ' আৰু বাতৰি-কাকতৰ দৰে ইয়াক সহজে কঢ়িয়াই ফুৰিব নোৱাৰি (not portable)।

viii) টেলিভিছন এটা আড়ম্বৰপূৰ্ণ মাধ্যম। দৃশ্য, ৰং, ধ্বনি আৰু গতিশীলতাই ইয়াক এটা অতি আকৰ্ষণীয় আৰু মনোৰঞ্জনকাৰী সংবাদ মাধ্যমত পৰিণত কৰিছে।

ix) টেলিভিছনৰ পৰ্দাত দৰ্শকক ঘটনা এটা বাস্তৱ মূহুৰ্তত ঘটি থকাৰ দৃশ্যও দেখুৱাব পৰা যায়। বাতৰি-কাকতত সংবাদ এটা পঢ়িবলৈ আমি এদিন ৰ'ব লাগে। কিন্তু টেলিভিছনৰ সংবাদ এটা লগে লগে পোনপটীয়াকৈ দেখুৱাৰ ('Live' news) সামৰ্থ আছে।

x) টেলিভিছনক এটা 'লীন বেক' (Lean back) মাধ্যম বোলা হয়। কাৰণ ইয়াত আমি বাতৰি-কাকত অথবা ইন্টাৰনেটৰ দৰে চকু ফুৰাব নোৱাৰো। টেলিভিছনৰ অনুষ্ঠান আমি গভীৰ মনোযোগ দি চাব লাগে।

xi) তথ্য প্ৰচাৰ কৰিবলৈ টেলিভিছন এবিধ উপযুক্ত আহিলা। কেৱল সংবাদ আৰু সাময়িক প্ৰসংগৰ অনুষ্ঠানৰ যোগেদিয়েই নহয়, অন্য বহুতো অনুষ্ঠানৰ সহায়ত আমি বিভিন্ন কথা, ব্যক্তি আৰু স্থানৰ বিষয়ে জানিব পাৰো। এনেবোৰ বিষয় টেলিভিছনে স্পৰ্শ নকৰা হ'লে হয়তো আমি কোনো দিনেই নাজানিলোহেঁতেন।

xii) টেলিভিছনে দৰ্শকক মনোৰঞ্জনৰ খোৰাকো যোগায়। দিনৰ কঠোৰ পৰিশ্ৰমৰ অন্তত মানুহে টেলিভিছন চাই কৰ্মজনিত অৱসাদ আঁতৰ কৰিব পাৰে।



অনুশীলনী- ২.১

১। টেলিভিছনৰ সবল দিশ আৰু দুৰ্বলতা বুলি ভবা বিষয়বোৰৰ এখন তালিকা প্ৰস্তুত কৰক। আপোনাৰ বাছনিৰ সাপেক্ষে যুক্তি দৰ্শাওক।

২। এটা বস্তি অঞ্চল ভ্ৰমণ কৰি তাৰ কিমান মানুহে টেলিভিছন চায় আৰু কিমানজনৰ ঘৰত টেলিভিছন আছে বিচাৰি উলিয়াওক।

২.৪ ভাৰতত টেলিভিছনৰ চমু ইতিহাস

ভাৰতত 1959 চনত ইউনেস্কৰ সমৰ্থন আগবঢ়োৱা এটা শৈক্ষিক প্ৰকল্পৰ ৰূপত টেলিভিছন সেৱাৰ সূচনা হৈছিল। 1960 ৰ দশকত ই অতি মন্থৰ গতিত বিকশিত হৈছিল। 1970 -ৰ দশকৰ মাজভাগত 'ছেটেলাইট ইন্স ট্ৰাক্টশ্যনেল টেলিভিছন এক্সপেৰিমেন্ট' (SITE) নামৰ প্ৰকল্পটোৰ কাম আৰম্ভ হোৱাৰ লগে লগে ভাৰতত টিভি দৰ্শকৰ সংখ্যা অভূতপূৰ্বভাৱে বৃদ্ধি পালে। প্ৰকল্পটোৰ অধীনত দেশৰ ছখন ৰাজ্যৰ 2400 খন গাঁৱত টিভি অনুষ্ঠান প্ৰচাৰ কৰা হৈছিল। গ্ৰাম্য ভাৰতত বিকাশৰ বাবে শৈক্ষিক অনুষ্ঠান প্ৰচাৰ কৰিবলৈ আমেৰিকাৰ কৃত্ৰিম উপগ্ৰহ ATS -6 ৰ সহায় লোৱা হৈছিল। ই ভাৰতীয় প্ৰযুক্তিবিদসকলকো ৰাষ্ট্ৰীয় কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰি অনুষ্ঠান নিজা ৰবীয়াকৈ প্ৰচাৰ কৰাৰ বাবে প্ৰয়োজন টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰৰ দক্ষতা

অর্জন কৰাত সহায় কৰিছিল। ৰাষ্ট্ৰীয় কৃত্ৰিম উপগ্ৰহ 'ইনছেট'-এ (INSAT) ইয়াৰ আঠ বছৰৰ পাছত সেৱা আগবঢ়াবলৈ লৈছিল।

1965 চনৰ পৰা দূৰদৰ্শনে নিয়মীয়া সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিছিল। তেতিয়া অৱশ্যে ই আকাশবাণীৰেই এটা অংশ হৈ আছিল। 1972 চনত মুম্বাই (তেতিয়াৰ বোম্বে) আৰু অমৃতসৰলৈ টেলিভিছন সেৱা সম্প্ৰসাৰিত কৰা হৈছিল। সুদীৰ্ঘ কাল ধৰি দূৰদৰ্শন দেশৰ সাতখন চহৰত টেলিভিছন সেৱা আগবঢ়োৱা একমাত্ৰ ছেনেল আছিল। 1976 চনত টেলিভিছন সেৱাক ৰেডিঅ' সেৱাৰ পৰা পৃথক কৰা হয়। আকাশবাণী আৰু দূৰদৰ্শনৰ কাৰ্যালয় দুটা নতুন দিল্লীত ভিন্ ভিন্ মহানিৰ্দেশকৰ অধীনত পৃথক পৃথককৈ স্থাপন কৰা হয়। এনেদৰেই অৱশেষত দূৰদৰ্শনে ৰাষ্ট্ৰীয় সম্প্ৰচাৰক হিচাপে আত্মপ্ৰকাশ কৰে।

1982 চনত ভাৰতীয় টেলিভিছন ইতিহাসত দুটা খোদিত হৈ ৰ'ল। এটা হ'ল ৰাষ্ট্ৰীয় অনুষ্ঠান সূচনা আৰু আনটো হ'ল ৰঙীন সম্প্ৰচাৰ সেৱাৰ আৰম্ভণি। ইয়াৰ লগে লগে ভাৰতীয় বজাৰত ৰঙীন টেলিভিছন ছেটৰ চাহিদা বৃদ্ধি পালে। ভাৰতীয় দৰ্শকে 1982 চনৰ 15 আগষ্টত পোন প্ৰথমবাৰৰ বাবে তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইণ্ডিৰা গান্ধীয়ে দেশবাসীক সম্বোধি দিয়া ভাষণৰ পোনপটীয়া প্ৰচাৰ আৰু দিল্লীত অনুষ্ঠিত 1982 চনৰ এছিয়ান গে'মছৰ পোনপটীয়া বিস্তৃত প্ৰচাৰ কৰাৰ সুযোগ পালে। 1980 দশকটো দূৰদৰ্শন ধাৰাবাহিকৰ (soaps) উল্লেখনীয় যুগ বুলিব পাৰি। 'হম লোগ' (1984), 'বুনিয়াদ' (1986–87), হাস্যৰসৰ ধাৰাবাহিক 'য়ে জো হেই জিন্দগী' (1984) আৰু পৌৰাণিক নাট 'ৰামায়ণ' (1987–88) তথা 'মহাভাৰত' (1988–89) আদিয়ে অগণন দৰ্শকক দূৰদৰ্শনৰ ভক্ত কৰি তুলিছিল। সেই সময়ছোৱাৰ আন কেইটামান জনপ্ৰিয় অনুষ্ঠান হ'ল হিন্দী বোলছবিৰ গীতৰ আধাৰত প্ৰস্তুত কৰা 'চিত্ৰহাৰ', 'ৰংগোলী', অপৰাধ ৰহস্য ভৰা ধাৰাবাহিক 'কৰমচান্দ', 'ব্যোমকেশ বক্সী' আৰু 'জানকী জাছুচ।'

1991 চনত আন্তঃৰাষ্ট্ৰীয় ছেটেলাইট টেলিভিছন সেৱাই ভাৰতত পদাৰ্পণ কৰে। বাতৰি প্ৰতিষ্ঠান CNN -এ পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় দৰ্শকক উপসাগৰীয় যুদ্ধৰ (Gulf War) বাতৰি চোৱাৰ সুযোগ দিয়ে। 1992 চনৰ প্ৰথমভাগত দেশৰ প্ৰায় পাঁচ লাখ ঘৰত STAR TV-ৰ সেৱা সুলভ হৈ পৰিছিল। এবছৰৰ পাছত এই সংখ্যা বাঢ়ি প্ৰায় বিশ লাখ হৈছিলগৈ। 1994 চনৰ শেষৰফালে অনুমানিক এক কোটি বিশ লাখ ঘৰত (দেশৰ মুঠ টেলিভিছন থকা জনসংখ্যাৰ এক চতুৰ্থাংশতকৈ অলপ কম) ছেটেলাইট টেলিভিছন সেৱাই প্ৰৱেশ কৰিছিল। এই দৰ্শকৰ সংখ্যা বৃদ্ধিত অৰিহণা আগবঢ়াইছিল সমগ্ৰ দেশতে কাঠফুলাৰ দৰে ছানি ধৰা প্ৰায় 60 হেজাৰ কেবল আপাৰেট'ৰে।

1976 চনত দেশত টিভি ছেটৰ সংখ্যা আছিল পাঁচ লাখ। 1987 চনত এই সংখ্যা নৱৈ লাখ হয়গৈ। 1994 চনৰ হিচাপ মতে দেশত টিভি ছেটৰ সংখ্যা হ'ল চাৰি কোটি সত্তৰ লাখ। প্ৰতি বছৰে প্ৰায় ষাঠি লাখ ছেট বাঢ়িব বুলি আশা কৰা হৈছিল। 2000 চনৰ এক সমীক্ষা

মতে ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় পঞ্চাশ শতাংশই নিয়মীয়াকৈ টিভি অনুষ্ঠান উপভোগ কৰে।

শেষত ক'ব পৰা যায় যে এটক ট্ৰেন্সমিটাৰ আন্তঃগাঠনি তৈয়াৰ কৰাৰ ববে বিনিয়োগ কৰাৰ ফলতেই ভাৰতত টেলিভিছনৰ বিকাশ সম্ভৱ হৈছে। আন্তঃগাঠনিৰ অংশ হিচাপে স্থলভিত্তিক প্ৰায় 1000 টা ট্ৰেন্সমিটাৰ দেশৰ বিভিন্ন স্থানত বহুৱা হৈছে। সেইবাবে চৌপাশৰ অঞ্চলবোৰলৈ ছেটেলাইট সংকেত প্ৰেৰণ হৈছে। লগতে টেলিভিছন অনুষ্ঠান কিছুমানৰ অভাৱনীয় জনপ্ৰিয়তাই অগণন দৰ্শকক টেলিভিছনৰ প্ৰতি আকৃষ্ট কৰি তোলাৰ ফলতেই টেলিভিছন দৰ্শকৰ সংখ্যা বৃদ্ধি পাইছিল। টেলিভিছন অনুষ্ঠানৰ সাফল্য 'হম লোগ' (1984–85) ধাৰাবাহিকৰ সৈতে আৰম্ভ হৈ বুনিয়াদ, ৰামায়ণ, মহাভাৰত আদিৰ যুগলৈ বিয়পি পৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ননং 1åÃ ভাৰতলৈ টেলিভিছন কেতিয়া আহিছিল?

.....

প্ৰশ্ননং 2å SITE -ৰ কামত ব্যৱহাৰ কৰা আমেৰিকাৰ কৃত্ৰিম উপগ্ৰহটোৰ নাম কি?

.....

প্ৰশ্ননং 3åÃ 1965 চনত ..... ৰ অংশ হিচাপে দূৰদৰ্শনে নিয়মীয়া দৈনিক সম্প্ৰচাৰ সেৱা আৰম্ভ কৰিছিল।

প্ৰশ্ননং 4åÃ 1980 ৰ দশকটো দূৰদৰ্শন ..... ৰ যুগ বুলি কোৱা হয়।

প্ৰশ্ননং 5åÃ ভাৰতত প্ৰৱেশ কৰা প্ৰথম আন্তঃৰাষ্ট্ৰীয় ছেটেলাইট ছেনেলটোৰ নাম কি?

.....

২.৫ দূৰদৰ্শন

'দূৰদৰ্শন'ৰ আক্ষৰিক ইংৰাজী অৰ্থটো হ'ল 'Tele-Vision'। ই হ'ল প্ৰচাৰ ভাৰতী অধীনস্থ ভাৰতীয় ৰাজহুৱা সম্প্ৰচাৰ সেৱা। প্ৰচাৰ ভাৰতী হ'ল ভাৰত চৰকাৰে মনোনীত কৰা ৰাজহুৱা সেৱা সম্প্ৰচাৰক নিগম। ষ্টুডিঅ'ৰ আন্তঃগাঁথনি আৰু ট্ৰেন্সমিটাৰৰ সংখ্যাৰ ফালৰ পৰা দূৰদৰ্শন হ'ল পৃথিৱীৰ সৰ্ববৃহৎ সম্প্ৰচাৰ প্ৰতিষ্ঠানবোৰৰ এটা।

বৰ্তমান দেশৰ 90 শতাংশতকৈও অধিক বাসিন্দাই দূৰদৰ্শনৰ (ডিডি নেশ্যনেল) অনুষ্ঠান উপভোগ কৰিব পাৰে। ইয়াৰ বাবে প্ৰায় 1400 টা স্থলভাগত স্থাপিত ট্ৰেন্সমিটাৰৰ এটা বৃহৎ নেটৱৰ্কে কাম কৰি আছে। লগতে প্ৰায় 46 টা দূৰদৰ্শন ষ্টুডিঅ'ই প্ৰতিদিনে ন ন টিভি কাৰ্যসূচী প্ৰস্তুত কৰি আছে।

দূৰদৰ্শনে সৰ্বমুঠ 19 টা ছেনেলৰ যোগেদি অনুষ্ঠান সম্প্ৰচাৰ কৰে। ইয়াৰে দুটা হ'ল সৰ্বভাৰতীয় ছেনেল, 11 টা আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেল (RLSC), চাৰিটা ৰাজ্যিক নেটৱৰ্ক (SN), এটাকে আন্তঃৰাষ্ট্ৰীয় তথা ক্ৰীয়া ছেনেল, আৰু সংসদীয় অধিৱেশনসমূহ পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিবলৈ আন দুটা ছেনেল (DD-RS,DD-LS) আছে।

দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় ছেনেলত সময় ভগাই লৈ আঞ্চলিক আৰু স্থানীয় কাৰ্যসূচী প্ৰচাৰ কৰা হয়। এটা 24 ঘণ্টা জোৰা সংবাদ ছেনেলৰ চাহিদা পূৰণ কৰিবলৈ 2003 চনৰ 3 নবেম্বৰত দূৰদৰ্শনে ডিডি-নিউজ ছেনেলৰ কাম আৰম্ভ কৰিছিল। ইয়াৰ ফলত ডিডি-মেট্ৰ' নামৰ মনোৰঞ্জনমূলক ছেনেলৰ প্ৰচাৰ সেৱা বন্ধ কৰা হৈছিল। আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেলবোৰে দুটা কাৰ্য সম্পাদন পদ্ধতিৰে কাৰ্যসূচী প্ৰচাৰিত কৰে। ৰাজ্য এখনত থকা সকলোবোৰ স্থলভাগত স্থাপিত ট্ৰেন্সমিটাৰে সেই ৰাজ্যখনৰ আঞ্চলিক ভাষাৰ অনুষ্ঠানসমূহ ৰীলে' কৰে। আঞ্চলিক ভাষাৰ অন্য 'প্ৰাইম-টাইম আৰু 'নন-প্ৰাইম টাইম' অনুষ্ঠানসমূহ কেবল অপাৰেটৰৰ সহায়তহে প্ৰচাৰিত কৰা হয়। স্পৰ্টছ ছেনেলটোৱে কেৱল ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীয়া সংবাদ তথা অনুষ্ঠান প্ৰচাৰ কৰে। দূৰদৰ্শনৰ ডিডি-স্পৰ্টছ ছেনেলটোৱেই হ'ল এনে একমাত্ৰ ক্ৰীয়া সম্প্ৰচাৰক ছেনেল যিটোৰ জৰিয়তে খো-খো, কাবাডীৰ দৰে গ্ৰাম্য ক্ৰীয়াসমূহো সম্প্ৰচাৰিত কৰা হয়। এনে খেলৰ বতৰা ব্যক্তিগত সম্প্ৰচাৰক ছেনেলবোৰে শুল্ক সংগ্ৰহ কৰিব নোৱাৰাৰ অজুহাতত প্ৰচাৰৰ পৰা বিৰত থাকে।

ডিডি ইণ্ডিয়াৰ কাৰ্যসূচী ছেটেলাইটৰ সহায়ত আন্তঃৰাষ্ট্ৰীয়ভাৱে সম্প্ৰচাৰ কৰা হয়। বিশ্বৰ 146 খন দেশত এই ছেনেলটোৰ কাৰ্যসূচী উপভোগ কৰিব পাৰি। অৱশ্যে বিদেশত এই ছেনেলটোৰ কেনে ধৰণে গ্ৰাহক হ'ব পাৰি সেই তথ্য সহজে পোৱা নাযায়। ইংলেণ্ডত ইউৰ'বাৰ্ড ছেটেলাইট নামৰ কৃত্ৰিম উপগ্ৰহটোৱে স্কাই ছিষ্টেম নামৰ ব্যক্তিগত ছেটেলাইট সেৱা সম্প্ৰচাৰকৰ 833 নম্বৰ ছেনেলটোৰ যোগেদি ('ৰায়ত টিভি' নামৰ প্ৰতীক সম্বলিত) ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্ৰচাৰ কৰে। ভাৰতৰ অন্য ছেনেলবোৰতকৈ ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্ৰচাৰ কৰে। ভাৰতৰ অন্য ছেনেলবোৰতকৈ ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্ৰস্তুত পদ্ধতি আৰু প্ৰচাৰ সময় বেলেগ।

সকলোবোৰ আঞ্চলিক দূৰদৰ্শন কেন্দ্ৰই অঞ্চল একোটাৰ দৰ্শকৰ চাহিদা আৰু ৰুচি অনুসৰি আঞ্চলিক ভাষাৰ অনুষ্ঠান প্ৰস্তুত কৰে। আঞ্চলিক ভাষাৰ ছেটেলাইট আৰু আঞ্চলিক ৰাজ্যিক নেটৱৰ্ক উভয়েই উন্নয়নমূলক সংবাদ, ধাৰাবাহিক, তথ্যচিত্ৰ, সংবাদ তথা সাময়িক প্ৰসংগৰ অনুষ্ঠান আদি বিভিন্ন দিশ সামৰি লৈ নানা অনুষ্ঠান প্ৰচাৰ কৰে। স্থানীয় লোকৰ সৈতে যোগাযোগ স্থাপন কৰিব পৰাকৈ এই অনুষ্ঠান প্ৰচাৰ কৰে। স্থানীয় লোকৰ সৈতে যোগাযোগ স্থাপন কৰিব পৰাকৈ এই অনুষ্ঠানসমূহ স্থানীয় ভাষাত প্ৰস্তুত কৰা হয়। সংশ্লিষ্ট ৰাজ্য একোখনে দুই ধৰণে অনুষ্ঠান প্ৰচাৰ কৰে। ডিডি-নেশ্যনেলৰ অঞ্চলিক অনুষ্ঠান প্ৰচাৰৰ বাবে নিৰ্দ্ধাৰিত সময়ছোৱাত প্ৰচাৰিত হোৱা সকলোবোৰ অনুষ্ঠান স্থলভাগত স্থাপন কৰা ট্ৰেন্সমিটাৰৰ মাধ্যমেৰে

প্রচাৰ কৰা হয়। দ্বিতীয় ধৰণটো হ'ল সমগ্ৰ দেশতে আঞ্চলিক ভাষাৰ ছেটেলাইট ছেনেলবোৰে 24 ঘণ্টাই নিজ নিজ আঞ্চলিক ভাষাৰ অনুষ্ঠান কৰি থাকে।

দূৰদৰ্শনে উত্তৰ-পূৰ্বাঞ্চলত টিভি সেৱাৰ বিকাশক অগ্ৰাধিকাৰ দিছে। এই অঞ্চলত পাহাৰ-পৰ্বতৰ সংখ্যা অধিক হোৱা হেতুকে যথেষ্ট সংখ্যক ট্ৰেন্সমিটাৰ বহুৱাব লগীয়া হৈছে। সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চলত দূৰদৰ্শনৰ 12 টা অনুষ্ঠান প্ৰযোজনা কেন্দ্ৰ আৰু 132 টা ট্ৰেন্সমিটাৰ আছে।

উত্তৰ-পূ ৰৰ ৰাজ্যকেইখনৰ সাংস্কৃতিক ভিন্নতালৈ লক্ষ্য ৰাখি সকলো সংস্কৃতিৰ সঠিক উপস্থাপনৰ বাবে দূৰদৰ্শনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ডিডি-নৰ্থ ইষ্ট হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে আৰম্ভ কৰা এটা সংঘবদ্ধ ছেটেলাইট টেলিভিছন সেৱা। ইয়াৰ জৰিয়তে অসমীয়া, ইংৰাজী আৰু অঞ্চলটোৰ অন্য ভাষা-উপভাষাৰ অনুষ্ঠান প্ৰচাৰ কৰা হয়। ছেনেলটোৱে মনোৰঞ্জনমূলক ধাৰাবাহিক, তথ্যসমৃদ্ধ অনুষ্ঠান, সামাজিক অনুষ্ঠান, সংবাদ, সাময়িক প্ৰসংগ, কলা আৰু সংস্কৃতিমূলক আদি বিষয়ৰ সান-মিহলি অনুষ্ঠান প্ৰচাৰ কৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰে ৰাজধানী চহৰত দূৰদৰ্শনে টেলিভিছন ষ্টুডিঅ' স্থাপন কৰাৰ চেষ্টা চলাইছে। সম্প্ৰতি মেঘালয়, মণিপুৰ, অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ ৰাজধানীত দূৰদৰ্শনৰ ষ্টুডিঅ' আছে। অধিক দৰ্শকক সামৰি ল'বলৈ মেঘালয়ৰ তুৰা তথা গাৰো পাহাৰত আৰু অসমৰ ডিব্ৰুগড় তথা শিলচৰত অতিৰিক্ত টিভি কেন্দ্ৰ স্থাপন কৰা হৈছে।

গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাহিৰে বাকী আটাইবোৰ কেন্দ্ৰই সপ্তাহৰ প্ৰতিটো কাৰ্য দিৱসতে 120 মিনিট সময়ৰ অনুষ্ঠান প্ৰস্তুত কৰে। এই অনুষ্ঠানসমূহ স্থানীয় দেৱানûþউপভাষাত প্ৰস্তুত কৰা হয়। ইয়াৰ উপৰি সকলোবোৰ কেন্দ্ৰই গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই কেন্দ্ৰীয়ভাৱে প্ৰস্তুত কৰা অনুষ্ঠানসমূহ ৰীলে' কৰে। এনে অনুষ্ঠানৰ ভিতৰত থাকে ইংৰাজী ভাষাৰ সংবাদ বুলেটিন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দৰ্শকৰ আগ্ৰহ আৰু স্বাৰ্থজড়িত বিভিন্ন অনুষ্ঠান। অঞ্চলটোৰ সকলো ৰাজধানী কেন্দ্ৰকে 'ছেটেলাইট আপ-লিংকিং' সুবিধাৰে সংলগ্ন কৰা হৈছে। এই সুবিধাটোৰ বাবে বাকী কেন্দ্ৰৰ পৰা গুৱাহাটী আৰু দিল্লী কেন্দ্ৰলৈ সংবাদ আৰু অন্য বিষয়কেন্দ্ৰিক অনুষ্ঠানৰ 'ফিডিং' প্ৰেৰণ কৰাৰ কামটো উজু হৈ পৰিছে।

উত্তৰ-পূব ভাৰতত থকা দূৰদৰ্শন কেন্দ্ৰৰ তালিকা

কেন্দ্ৰ	আৰম্ভণি	ভাষা	অনুষ্ঠান সম্প্ৰচাৰৰ সময়
ইটানগৰ	05ûþ02ûþ1996	হিন্দী	সন্ধিয়া 6 – 8 টা
গুৱাহাটী	24ûþ03ûþ1985	অসমীয়া	সন্ধিয়া 3 – সন্ধিয়া 8 টা
± ডিব্ৰুগড়	31ûþ05ûþ1993	অসমীয়া	সন্ধিয়া 6 – 8 টা
শিলচৰ	30ûþ04ûþ1993	অসমীয়া,বাংলা	সন্ধিয়া 6 – 8 টা

ইম্ফল	30ûþ04ûþ1993	মণিপুৰী	সন্ধিয়া 6 – 8 টা
শ্বিলং	30ûþ04ûþ1993	খাছী, জয়ন্তীয়া	সন্ধিয়া 6 – 8 টা
তুৰা	31ûþ05ûþ1993	গাৰো	সন্ধিয়া 6 – 8 টা
আইজল	12ûþ06ûþ1995	মিজো	সন্ধিয়া 6 – 8 টা
ক'হিমা	30ûþ03ûþ1993	ইংৰাজী	সন্ধিয়া 6 – 8 টা
গে	01û11ûþ2004	—	—
আ	20ûþ11ûþ1992	বাংলা, কক্‌বৰ'ক	সন্ধিয়া 6 – 8 টা

উৎস ঃ www.ddindia.gov.in

অগ্রগতি নিৰীক্ষণ

প্রশ্ননং 6 åÃ ভাৰতত ৰাজহুৱা টিভি অনুষ্ঠান সম্প্রচাৰকৰ নামটো কি?

.....

প্রশ্ননং 7 åÃ কাবাডী আৰু খো-খোৰ দৰে গ্রাম্য ক্রীড়া প্রচাৰ কৰা একমাত্র স্পর্ট'ছ ছেনেলটোৰ নাম কি?

.....

প্রশ্ননং 8 åÃ ইংলেণ্ডত ..... ছেটেলাইটে স্কাই ছিষ্টেম নামৰ ব্যক্তিগত ছেটেলাইট সেৱা সম্প্রচাৰকৰ 833 নম্বৰ ছেনেলটোৰ যোগেদি ডিডি-ইণ্ডিয়াৰ অনুষ্ঠান প্রচাৰ কৰে।

২.৬ ü টেলিভিছন অনুষ্ঠান

যদি আমি বর্তমান সময়ৰ প্রেক্ষাপটত বিভিন্ন টেলিভিছন অনুষ্ঠানৰ বিশ্লেষণ কৰোঁ, তেন্তে গোটেই অনুষ্ঠানবোৰক দুটা প্রধান ভাগত বিভক্ত কৰিব পাৰিম। ভাগ দুটা হ'ল — *সংবাদ* আৰু *সংবাদ বিভাগত নপৰা অনুষ্ঠান*। সংবাদভিত্তিক সংবাদ বুলেটিনবোৰৰ লগতে নিউজ মেগাজিন, সাক্ষাৎকাৰ, কথোপকথন, সাময়িক প্রসংগৰ ওপৰত পেনেল আলোচনা, সংবাদ

আলেখ্য আদিৰ দৰে বিভিন্ন সংবাদভিত্তিক অনুষ্ঠানক সামৰি লোৱা হয়। সংবাদ বিভাগত নপৰা অনুষ্ঠানৰ তালিকা যথেষ্ট দীঘল। এনে অনুষ্ঠানত গল্প-উপন্যাস ভিত্তিক অনুষ্ঠান, গল্প-উপন্যাসৰ শিতানত অন্তর্ভুক্ত কৰিব নোৱাৰা বিষয়ৰ অনুষ্ঠান, সংগীতানুষ্ঠান, কথাছবি ভিত্তিক অনুষ্ঠান, হাস্য-ব্যংগৰ শ্বো, ক্রীড়া অনুষ্ঠান আৰু সম্প্রতি জনপ্রিয়তা অর্জন কৰা বিভিন্ন ৰিয়েলিটি শ্বো আদিকে সামৰি লোৱা হয়। গল্প-উপন্যাস ভিত্তিক অনুষ্ঠানত প্রধানকৈ নাটক, চ'প আৰু ধাৰাবাহিক, টেলিফিল্ম, টেলিনাট আদিক ধৰা হয়। নব্য যুগৰ প্রযোজনাত অৱশ্যে কাল্পনিক আৰু অকাল্পনিক কাহিনীভিত্তিক অনুষ্ঠানৰ মাজৰ প্রভেদ লাহে লাহে নাইকিয়া হ'বলৈ ধৰিছে। আজিকালি বহুতো অনুষ্ঠানেই হ'ল বাস্তৱ আৰু কল্পনাৰ সংমিশ্রণ।

এটা অধ্যায়ত সকলো প্রকাৰৰ টিভি অনুষ্ঠানৰ বিতং আলোচনা কৰাতো সম্ভৱ নহয়। সেয়েহে ইয়াত আমি কেৱল সংবাদ আৰু সংবাদ ভিত্তিক অনুষ্ঠানবোৰৰ বিষয়ে আলোচনা কৰিম।

২.৬.১ üসংবাদৰ উপাদান

সংবাদৰ উপাদানসমূহক তিনিটা ভাগত ভগাব পাৰি ঃ

ক) সংবাদ (News)

খ) সংবাদ প্রতিবেদন (Reports)

গ) সংবাদ আলেখ্য (Features)

ক) সংবাদ

বিভিন্ন কথাৰ ওপৰত ভিত্তি কৰি সংবাদক ভিন্ ভিন্ শিতানৰ অন্তর্ভুক্ত কৰিব পাৰি। যদি আমি ঘটনা ঘটাৰ স্থানৰ প্রতি লক্ষ্য কৰোঁ, তেনে সংবাদক *বিদেশী* আৰু *ঘৰুৱা সংবাদ* হিচাপে ভগাব পাৰো। বিদেশী সংবাদ হ'ল বিদেশৰ কোনো ঠাইত ঘটা ঘটনাৰ তথ্য। ঘৰুৱা সংবাদ হ'ল সংবাদ প্রচাৰ কৰি থকা দেশখনত ঘটি থকা ঘটনাৰ তথ্য।

যদি সংবাদৰ কথিত আৰু দৃশ্যমান অংশৰ প্রভেদবোৰ বিবেচনা কৰোঁ, তেন্তে আমি সংবাদক *মৌখিক অথবা পঠিত সংবাদ, দৃশ্য-শ্রব্য সংবাদ* আৰু *সংযুক্ত সংবাদত* ভগাব পাৰো। মৌখিক সংবাদবোৰ বাতৰি পঢ়োতাই পঢ়ি শুনায়। ষ্টুডিঅ'ৰ সাজসজ্জাৰ বাহিৰে অইন একো দৃশ্য দেখা পোৱা নাযায়। দৃশ্য-শ্রব্য সংবাদ পঢ়োতাৰ কণ্ঠস্বৰ নেপথ্যত থাকে। পঢ়োঁতা গৰাকীক ভয়ছ-অভাৰ (Voice-over) বোলে। এনে সংবাদত দৃশ্যমান উপাদান হিচাপে গতিশীল ছবি ওলাই থাকে। সংযুক্ত সংবাদত বাতৰি পঢ়োতা, স্থিৰচিত্র, নেপথ্য কণ্ঠ, মানচিত্র, আঁচনিৰ চিত্র, গোটেই টিভি পর্দাখন আবৰি ওলোৱা ৰেখাচিত্র আদি বিভিন্ন উপাদান মিশ্রিত হৈ থাকে।

সংবাদক আকৌ ফ্ল্যাশ সংবাদ, বিস্তৃত সংবাদ (extended news), পর্দাখন মন্তব্য

সংলগ্ন অথবা ব্যক্তিগতকৃত সংবাদ (Commented or Personified news), আৰু বিপ'র্টাজ সংবাদত (Reportage News) ভাগ কৰিব পৰা যায়। ফ্ল্যাশ সংবাদ অতি সংক্ষিপ্ত প্ৰকৃতিৰ। ইয়াক এটা কণ্ঠস্বৰৰ সহায়ত পঢ়া হয়। কোনো মন্তব্য নাথাকে। বিস্তৃক সংবাদত দুটা কণ্ঠ থাকে। এটা বাতৰি প্ৰতিষ্ঠানৰ কৰ্মীৰ আৰু আনটো কণ্ঠৰ গৰাকী হ'ল আহৰণ কৰা সংবাদৰ সৈতে জড়িত কোনো ব্যক্তিৰ। প্ৰতিস্থানৰ কণ্ঠস্বৰৰ গৰাকী সাধাৰণতে বাতৰি পঢ়োতা অথবা সংবাদদাতা হ'ব পাৰে। আহৰণ কৰা কণ্ঠৰ গৰাকী হ'ব পাৰে ঘটনাৰ সাক্ষী। মন্তব্য সংলগ্ন অথবা ব্যক্তিগতকৃত সংবাদত ঘটনাস্থলীৰ পৰা কোনো বিষয় সন্দৰ্ভত সংবাদদাতাই নিজৰ মতামত দাঙি ধৰে। বিপ'র্টেজ সংবাদ অতি গতিশীল। ঘটনাস্থলীত অনুসন্ধানকাৰী কেমেৰা আৰু সাংবাদিক উপস্থিত থাকি এনে সংবাদ ষ্টুডিঅ'লৈ প্ৰেৰণ কৰে।

খ) সংবাদ প্ৰতিবেদন

সংবাদ আৰু সংবাদ প্ৰতিবেদনৰ মাজত থকা পাৰ্থক্যটো হ'ল প্ৰতিবেদনৰ দৈৰ্ঘ অধিক আৰু বিস্তৃত। প্ৰতিবেদনৰ কোনো এটা ঘটনাক বহুলভাৱে বৰ্ণনা কৰা হয়। বাতৰি পঢ়োতাই প্ৰধান বাতৰিৰ শিৰোনাম আৰু প্ৰধান তথ্যটো সদৰি কৰাৰ পাছত সংবাদদাতাই ঘটনাস্থলীৰ পৰা সংবাদ পৰিৱেশন কৰে, কোনো তৃতীয় পক্ষৰ সাক্ষাৎকাৰ লয় আৰু বিস্তৃত তথা ভিন্ন দৃষ্টিভংগী দাঙি ধৰে। প্ৰতিবেদন প্ৰস্তুত কৰোতে দৃশ্য-শ্ৰব্য উপায় অৱলম্বন কৰা হয়।

গ) সংবাদ আলেখ্য

সংবাদৰ তৃতীয় বিভাগটো হ'ল সংবাদ আলেখ্য। এই সংবাদ আলেখ্যবোৰ দৃশ্য-শ্ৰব্য উপায়েৰে প্ৰস্তুত কৰা হয়। সংবাদ আলেখ্যবোৰক চাৰিটা ভাগত ভগাব পাৰি ঃ
সমালোচনাত্মক (Critical), ব্যক্তিকেন্দ্ৰিক আলেখ্য (Portrait), উপলক্ষ্যভিত্তিক (Occasional) আৰু চিন্তা উদ্ৰেককাৰী আলেখ্য (Reflective)। আলেখ্যৰ বিষয়বস্তুত কোনো বিশেষ ঘটনা আৰু জৰুৰী ব্যক্তিগত বিষয় অথবা সমস্যাৰ বিশ্লেষণ, মূল্যাংকন আৰু সাধাৰণীকৰণ কৰা হয়। সংবাদ প্ৰতিবেদনতকৈ সংবাদ আলেখ্য কিছু পৃথক। সংবাদ আলেখ্যত কোনো জ্ঞাত অথচ উল্লেখযোগ্য ঘটনাৰ পুনৰ গঠন কৰা হয় আৰু ব্যাখ্যা আগবঢ়োৱা হয়।

গ্ৰেবাৰৰ সংবাদ উপাদানৰ শ্ৰেণী বিভাজন

গ্ৰেবাৰে (1994) আন এক ধৰণে সংবাদ উপাদানসমূহক বিভক্ত কৰে। সময়ৰ জোখ আৰু *বিষয়বস্তুৰ বিচাৰ মান* অনুসৰি সংবাদক চাৰিটা ভাগত ভগাব পৰা যায় —

- অতি নাটকীয় পৰিস্থিতিসম্পন্ন ঘটনা (High drama stories)
- গতানুগতিক ঘটনা (Routine stories)
- আলেখ্য ৰচনা (Feature essays)
- ঘটনাৰ ক্ষুদ্ৰ উদ্ধৃতি (Story snippet)

অতি নাটকীয় পৰিস্থিতিসম্পন্ন ঘটনাই গুৰুত্বৰ ধৰণৰ (যেনে — সন্ত্রাসবাদীয়ে কৰা বোমা বিস্ফোৰণ, বানপানী, ভয়াবহ দুর্ঘটনা ইত্যাদি) দ্বন্দ্ব আৰু দুর্ঘটনাৰ সংবাদক সামৰি লয়। *গতানুগতিক ঘটনাত* অতি নাটকীয় পৰিস্থিতি উদ্ভুত উপাদানবোৰ নাথাকে। এনে সংবাদৰ ভিতৰত পৰে ৰাজনীতি, কূটনীতি, সামাজিক, আইনসংগত, অর্থনৈতিক তথা ৰাজনৈতিক সমস্যা আৰু প্রতীকধর্মী কার্য-কলাপৰ বা-বাতৰি। এনে সংবাদত কেতিয়াবা দ্বন্দ্ব আৰু দুর্ঘনাৰ কথাও থাকে যদিও এই বাতৰিবোৰৰ প্রভাৱ অতি নাটকীয় পৰিস্থিতিসম্পন বাতৰিৰ দৰে নহয়। গতানুগতিক ঘটনাত এনে সংবাদবোৰো নাটকীয় পৰিণতিৰ অবিহনে প্রচাৰিত কৰা হয়। আলেখ্য ৰচনাবোৰ তুলনামূলকভাৱে দীঘল। ইয়াৰ বিষয়বস্তু সামাজিক সমস্যা, সাংস্কৃতিক অনুষ্ঠান, ক্রীড়া হ'ব পাৰে। কেতিয়াবা অৱশ্যে আলেখ্য ৰচনাৰ বিষয়বস্তু বিতর্কিত হোৱাও দেখা যায়। গ্রেবাৰৰ দ্বাৰা নির্দ্ধাৰিত চতুর্থ বিভাগটো হ'ল *ঘটনাৰ ক্ষুদ্র উদ্ধৃতি*। ইয়াৰ দৈর্ঘ 20 ছেকেণ্ডতকৈও কম হয়। ই মূল ঘটনাৰ অতি সংক্ষিপ্ত ৰূপ দাঙি ধৰে। মূল ঘটনাটো এটা গতানুগতিক সংবাদ অথবা অতি নাটকীয় পৰিস্থিতিসম্পন্ন সংবাদ হ'ব পাৰে।

২.৬.২ সাময়িক প্রসংগৰ ওপৰত আধাৰিত অনুষ্ঠান

সাময়িক ঘটনা আৰু চিন্তা-চর্চাৰ ব্যাখ্যা তথা বিশ্লেষণ সম্বলিত অনুষ্ঠানবোৰকে সাময়িক প্রসংগৰ অনুষ্ঠান বোলা হয়। এনে অনুষ্ঠানত ৰাজনৈতিক অথবা ঔদ্যোগিক বিতর্ক আৰু কোনো ৰাজহুৱা নীতি বিষয়ক আলোচনা বিশ্লেষণ আদিক সামৰি লোৱা হয়। সমসাময়িক গুৰুত্ব লাভ কৰা অনুসন্ধানমূলক অনুষ্ঠানকো সাময়িক প্রসংগৰ অনুষ্ঠান বুলিয়েই গণ্য কৰা হয়।
সাময়িক প্রসংগৰ অনুষ্ঠান এটা তলত দিয়া শৈলীত প্রস্তুত কৰা হয় —

ক) নিউজ মেগাজিন (সংবাদ চলন্তিকা)

এনে অনুষ্ঠানবোৰৰ লক্ষ্য হ'ল সংবাদে এৰি যোৱা বিষয়বোৰ উনুকিয়াই কোনো ঘটনাৰ গভীৰ বিশ্লেষণ কৰা। এনে অনুষ্ঠানবোৰে সংবাদ প্রতিবেদন প্রস্তুত কৰাৰ লগতে ঘটনাৰ বিশ্লেষণো আগবঢ়ায়।

খ) বিতর্ক

কোনো সাময়িক ঘটনা আলোচনা কৰিবলৈ বিতর্কৰ সহায় লোৱা হয়। বিশিষ্ট ব্যক্তিৰ দল একোটাই গুৰুত্বপূর্ণ ঘটনাবোৰৰ সন্দর্ভত বিতর্কত লিপ্ত হোৱা দেখা যায়। NDTV নামৰ ব্যক্তিগত সংবাদ ছেনেলটোৰ 'দ্যা বিগ ফাইট' নামৰ এটা অনুষ্ঠান আছে। বর্তমান সময়ত প্রাসংগিকতা থকা কোনো বিষয় অথবা সমস্যাক লৈ এই অনুষঠাটোত সংশ্লিষ্ট দিশত অভিজ্ঞ ব্যক্তিসকলে টিভিৰ পর্দাত বিতর্কত ভাগ লয়।

গ) মণ্ডলী আলোচনা (Panel Discussion)

যদি কোনো সমস্যা এগৰাকী ব্যক্তিয়ে ব্যাখ্যা কৰি সামৰিব নোৱোৰা ধৰণৰ অতি জটিল প্ৰকৃতিৰ হয় তেন্তে, একোটা মণ্ডলী গঠন কৰি তেনে বিষয় আলোচনা কৰা হয়। এনে মণ্ডলীত বিষয়টো সম্পৰ্কত অভিজ্ঞ এদল বিশেষজ্ঞক অন্তৰ্ভূক্ত কৰা হয় আৰু তেওঁলোকক বিষয়টো বিষয়টো সন্দৰ্ভে কোৱাৰ সুযোগ দিয়া হয়। আকৌ কেতিয়াবা কোনো এক নিৰ্দিষ্ট সময়ত একাধিক ব্যক্তিৰ সৈতে দৰ্শকক চিনাকি কৰাই দিয়া অথবা একোটা বিষয়ৰে ভিন্ ভিন্ দৃষ্টিকোণ সম্পৰ্কে দৰ্শকক অৱগত কৰোৱাৰ উদ্দেশ্য আগত ৰাখিও মণ্ডলী আলোচনা প্ৰস্তুত কৰা হয়।

কাৰিকৰীভাৱে মণ্ডলী আলোচনাত প্ৰশ্ন আৰু উত্তৰ দুয়োটাই থাকে। অনুষ্ঠান আঁত ধৰোতা গৰাকীয়ে সময়ৰ প্ৰতি লক্ষ্য ৰাখে, প্ৰশ্নসমূহ যুগুত কৰে আৰু আলোচনাটো যাতে কাজিয়া অথবা নিয়ন্ত্ৰণহীন বাক্-বিতণ্ডালৈ ৰূপান্তৰিত নহয় সেয়া সুনিশ্চিত কৰে। যদি প্ৰতি গৰাকী অংশগ্ৰহণকাৰীকে এটা নিৰ্দিষ্ট সময়ৰ বাবে নিজৰ বক্তব্য ৰখাৰ সুযোগ দিয়া হয়, তেন্তে আঁত ধৰোতাই প্ৰতি গৰাকী বক্তাকে এক মিনিট আগতে বক্তব্য আৰম্ভ কৰাৰ সময় তথা সামৰাৰ সময় ইংগিতেৰে বুজাই দিয়ে। যদি কোনো বক্তাই নিৰ্দিষ্ট সময়তকৈ এক অথবা দুই মিনিট বেছিকৈ কয়, তেন্তে আঁত ধৰোতাই তেওঁক বাধা দি বাকী বক্তাসকলৰ যাতে সময়ৰ নাটনি নহয় সেয়া সুনিশ্চিত কৰে। আঁত ধৰোতা গৰাকীয়ে সাধাৰণতে কোনো বিষয়ৰ সপক্ষে অথবা বিপক্ষে মত প্ৰকাশ নকৰে। শেষত তেওঁ আলোচনাৰ সাৰাংশ কৈ মণ্ডলীৰ সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰি অনুষ্ঠান সামৰে।

মণ্ডলী আলোচনাৰ প্ৰধান সুবিধটো হ'ল ই দৰ্শকক কোনো এটা বিষয়ক একাধিক দিশৰ পৰা বিশ্লেষণ কৰি চোৱাৰ সুযোগ দিয়ে। আলোচ্য বিষয়টোক মণ্ডলীৰ প্ৰতিগৰাকী সদস্যই চালি-জাৰি বিশ্লেষণ কৰে। মণ্ডলী আলোচনাৰ বাবে সেয়েহে পৰস্পৰ বিৰোধী মত পোষণ কৰা শিবিৰৰ সদস্যক আমন্ত্ৰণ কৰি অনাতো এটা নিয়ম। ইয়াৰ ফলত কোনো ধাৰণা, সমস্যা, ঘটনা আৰু পৰিঘটনাক ভিন্ন মাত্ৰা প্ৰদান কৰিব পৰা যায়। দৰ্শকে নিজাববীয়াকৈ কোনটো মত মানি ল'ব, কোনটো মত অধিক গ্ৰহণযোগ্য সেয়া থিৰাং কৰাৰ সুযোগ পায়। ৰাজনৈতিক সমস্যাবোৰক লৈ বিতৰ্কত লিপ্ত হ'বলগীয়া হ'লে সংবাদ ছেনেলবোৰে আজিকালি প্ৰায়েই মণ্ডলী আলোচনাৰ সহায় লোৱা দেখা যায়। উদাহৰণস্বৰূপে, কিছুদিনৰ আগৰ ভাৰত-আমেৰিকা পাৰমাণৰিক চুক্তিখনক লৈ চলা বিতৰ্কৰ কথাকে ধৰা হওক। অধিকাংশ সংবাদ ছেনেলে বিষয়টোক লৈ মণ্ডলী আলোচনা কৰিলে। এনে মণ্ডলীত বিভিন্ন দলৰ ৰাজনৈতিক নেতা বিশেষজ্ঞই ভাগ লৈ নিজ নিজ মত দাঙি ধৰি শ্ৰোতাক নিজস্ব দৃষ্টিভংগী সম্পৰ্কে পতিয়ন নিওৱাৰ চেষ্টা কৰিলে। নীতিগত কাৰণত প্ৰতিটো অনুষ্ঠানৰে আঁত ধৰোতা অথবা সূত্ৰধাৰ গৰাকীয়ে কাৰো পক্ষ নলৈ সকলোবোৰ দৃষ্টিভংগীৰে সাৰাংশ দৰ্শকক জানিবলৈ দিলে। NDTV- ৰ 'দ্যা বিগ ফাইট' নামৰ অনুষ্ঠাটো এনে ধৰণৰ মণ্ডলী আলোচনাৰ উদাহৰণ।

ঘ) টেলিভিছন সাক্ষাৎকাৰ

সাক্ষাৎকাৰৰ ইংৰাজী প্ৰতিশব্দ 'interview' ফৰাছী শব্দমূলৰ পৰা উদ্ভৱ হৈছে। সাধাৰণ অৰ্থত 'interview' মানে হ'ল 'ইজনে সিজনক সাক্ষাৎ কৰা।' টেলিভিছনৰ প্ৰতিটো সম্প্ৰচাৰ দিৱসতে সাক্ষাৎকাৰে যথেষ্ট সময় দখল কৰি আহিছে। ইয়াৰে কিছুমান সাক্ষাৎকাৰ অতি হ্ৰস্ব। যেনে — সংবাদ পঢ়ি থকাৰ মাজতে দেখুওৱা 10 ছেকেণ্ডমানৰ সাক্ষাৎকাৰ। ইয়াক 'ছাউণ্ডবাইট' বোলা হয়। অন্য সাক্ষাৎকাৰবোৰ দীঘলীয়া। কেতিয়াবা সাক্ষাৎকাৰে এঘণ্টীয়া বাৰ্তালাপ অনুষ্ঠানৰ ৰূপ লাভ কৰে। কোনো অগ্নিকাণ্ড, বিমান দুৰ্ঘটনা অথবা একে ধৰণৰ কোনো ডাঙৰ দুৰ্ঘটনাৰ প্ৰত্যক্ষদৰ্শীৰ সাক্ষাৎকাৰ হ'ল সাংবাদিকসকলৰ সংবাদ সংগ্ৰহৰ বিভিন্ন পন্থাবোৰৰ মাজৰ এটা। কিছুমান সাক্ষাৎকাৰ কেৱল প্ৰশ্নোত্তৰতে সীমাবদ্ধ। এনে সাক্ষাৎকাৰৰ অতিথি সাধাৰণতে কোনো বিতৰ্কিত ব্যক্তি হোৱা দেখা যায়। বহুতো সাক্ষাৎকাৰ কোনো এটা নিৰ্দিষ্ট বিষয়ক, যেনে — স্বাস্থ্যৰ যত্ন অথবা অবৈধ প্ৰব্ৰজন আদিক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা হয়।

সংবাদ আৰু সাময়িক প্ৰসংগৰ অনুষ্ঠানৰ বাবে যুগুত কৰা সাক্ষাৎকাৰবোৰক তলত দিয়া ভাগ দুটাত ভগাব পাৰি ঃ

i) **ঘটনাৰ প্ৰয়োজনত গ্ৰহণ কৰা সাক্ষাৎকাৰ**

এনে সাক্ষাৎকাৰসমূহ সংবাদৰ সৈতে সংলগ্ন কৰা হয়। সম্পূৰ্ণ সাক্ষাৎকাৰটো প্ৰচাৰ কৰ মূল ঘটনাৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থকা অংশখিনিহে প্ৰচাৰ কৰা হয়।



ii) **ণ কৰা সাক্ষাৎকাৰ**

াৎকাৰত এগৰাকী সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা আৰু এগৰাকী সাক্ষাৎ দিওতা থাকে। এনে ধৰণৰ সাক্ষাৎকাৰত দুয়ো গৰাকী ব্যক্তিকে অন্তৰ্ভুক্ত কৰা হয়। সাক্ষাৎকাৰ গ্ৰহণ কৰোতাই সোধা প্ৰশ্নবোৰো অনুষ্ঠানটোৰ অন্তৰ্ভুক্ত কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 9åÃ সংবাদ উপাদানৰ মৌলিক ভাগ তিনিটা কি? ভাগকেইটাৰ মাজত কিহৰ প্ৰভেদ আছে?

.....

.....

.....

প্ৰশ্ন নং 10å মৌখিক আৰু দৃশ্যমান উপায় ব্যৱহাৰ কৰি প্ৰস্তুত কৰা সংবাদৰ প্ৰকাৰসমূহ

কি কি?

.....

.....

.....

২.৭ টেলিভিছন অনুষ্ঠান প্রযোজনা

টেলিভিছন অনুষ্ঠান প্রযোজনা কৰাটো হ'ল এটা অতি জটিল আৰু সময় খৰছী প্রক্রিয়া। ইয়াৰ বাবে বিভিন্ন ধৰণৰ লোকৰ সৈতে সমন্বয় সাধন কৰি কাম কৰিব লাগে। অনুষ্ঠান প্রযোজনা কৰাৰ আগতে বিস্তৃত পৰিকল্পনা কৰি ল'ব লাগে। তেনে পৰিকল্পনাক বাস্তৱ ৰূপ দিবলৈ যথেষ্ট দক্ষতা, সময় আৰু প্রচেষ্টাৰ প্রয়োজন। যিকোনো টেলিভিছন প্রযোজনাৰে লক্ষ্য হ'ল এটা ধাৰণাক অর্থবহ অনুষ্ঠান এটালৈ ৰূপান্তৰিত কৰা। সৃজনাত্মক ইনপুট, কাৰিকৰী আৰু ব্যক্তিগত প্রয়োজনীয়তা হ'ল আৱশ্যকীয় আহিলা, সমন্বয় আৰু পুঁজি প্রতিটো টেলিভিছন প্রযোজনাৰ বাবে বেলেগ বেলেগ হয়। কিন্তু প্রযোজনাৰ শৈলী অথবা ৰূপ যিয়েই নহওক কিয়, প্রযোজনাৰ সফলতা নির্ভৰ কৰে পৰিকল্পনাৰ ওপৰত। এবাৰ অনুষ্ঠান প্রযোজনাৰ সিদ্ধান্ত গ্রহণ কৰাৰ পাছত প্রযোজনাৰ বিভিন্ন পর্যায়ৰ বাবে প্রস্তুত হ'ব লাগে। এই শিতানত আলোচনা কৰিব খোজা প্রক্রিয়াবোৰৰ পৰা আপুনি অনুষ্ঠান এটাৰ ধাৰণা সৃষ্টি হোৱাৰ পৰা চূড়ান্ত অনুষ্ঠানটো প্রস্তুত হোৱালৈকে সমগ্র কার্য সম্পাদন প্রণালীটো বুজিব পাৰিব।

কিছুদিনৰ আগলৈকে টেলিভিছন প্রযোজনাৰ বাবে বিভিন্ন বিষয়ৰ প্রশিক্ষণপ্রাপ্ত বৃত্তিজীৱী লোকৰ সন্মিলিত প্রচেষ্টাৰ প্রয়োজন আছিল। অনুষ্ঠান এটা প্রযোজনা কৰিবলৈ অতি ব্যয়বহুল আৰু তদাৰক কৰা কঠিন যন্ত্র-পাতিৰ প্রয়োজন হৈছিল। নেটৱর্ক পর্যায়ৰ টিভি অনুষ্ঠান একোটা প্রয়োজন যদিও প্রযুক্তিৰ বিকাশ ঘটাৰ লগে লগে যিকোনো লোকেই এটা কেমক'র্ডাৰ আৰু একোখন উকা কেছেটৰ সহায়ত ভিডিঅ' একোটা প্রস্তুত কৰিব পৰা হৈছে।

কোনো অনুষ্ঠানৰ বাজেট অথবা নির্দ্ধাৰিত দর্শকৰ সংখ্যা যিয়েই নহওক কিয়, প্রতিটো বৃত্তিজীৱী প্রযোজনাৰ তিনিটা কর্ম পর্যায় থাকে। পর্যায়কেইটা হ'ল —

ক) : প্রাক- প্রযোজনা পর্যায়

খ) : প্রযোজনা পর্যায়

গ) : প্রযোজনাৰ পাছৰ পর্যায়

ক) প্রাক- প্রযোজনা পর্যায়

টিভি প্রযোজনা ক্ষেত্রখনত এযাৰি অপ্তবাক্যৰ প্রচলন আছে ঃ "প্রযোজনাৰ সবাতোকৈ গুৰুত্বপূর্ণ পর্যায়টো হ'ল প্রাক- প্রযোজনা পর্যায়।" এই পর্যায়টোত প্রযোজনাৰ বিষয়বস্তু আৰু

কাম সম্পাদন পদ্ধতিৰ বিষয়ে চিন্তা-চর্চা আৰম্ভ হয়। এই পর্যায়টোতে প্রযোজনাৰ কাম সুপৰিকল্পিতভাৱে আগবঢ়াৰ পথ প্রশস্ত হৈ পৰে অথবা সময়, প্রতিভা, সম্পাদনৰ শ্রেষ্ঠ কৌশল প্রয়োগ কৰিলেও শুধৰাব নোৱাৰাকৈ প্রযোজনা এটা বিফল হয়। প্রাক-প্রযোজনা পর্যায়তে মুখ্য প্রতিভা আৰু প্রধান প্রযোজনা সদস্যসকলক বাছনি কৰা হয়। সকলোবোৰ মুখ্য উপাদানৰ বিষয়েও এই পর্যায়টোতে পৰিকল্পনা কৰি লোৱা হয়। গৱেষণা সমাপ্ত কৰি স্ক্রিপ্ট সাজু কৰা হয়। তাৰ পাছত দৃশ্য গ্রহণৰ স্থান ঠিক কৰা হয়। দৃশ্যসজ্জা, পোহৰ সজ্জা আৰু শব্দ হ'ল আন্তঃ সংযোগ থকা কাম। সেয়েহে এলানি প্রযোজনা বৈঠক পাতি এই তিনিওটা কামৰ মাজত সাৱধানতা সহকাৰে সমন্বয় স্থাপন কৰা হয়।

খ) প্রযোজনা পর্যায়

প্রযোজনা পর্যায়ত সকলোবোৰ কাম-কাজক চূড়ান্ত ৰূপ দিয়া হয়। এই পর্যায়টোত প্রকৃত দৃশ্যগ্রহণৰ (ৰেকর্ডিং অথবা পোনপটীয়া সম্প্রচাৰ) কাম সম্পন্ন কৰা হয়। প্রাক-প্রযোজনা পর্যায়ৰ পৰিকল্পনা অনুসৰি বাকী কামবোৰো এইটো পর্যায়তে কার্য ৰূপায়িত কৰা হয়।

গ) প্রযোজনাৰ পাছৰ পর্যায়

এইটো হ'ল প্রযোজনাৰ সর্বশেষ পর্যায়। ইয়াত দৃশ্য গ্রহণ কৰা সমলবোৰৰ (rushes) সংশোধন আৰু সম্পাদনা কৰি একোটা সম্পূর্ণ অনুষ্ঠানৰ ৰূপ দিয়া হয়। তাৰ পাছত অনুষ্ঠান এটা সম্প্রচাৰ বিতৰণৰ বাবে সাজু হৈ উঠে। বোলছবি, সংগীতৰ এলবাম নাইবা টিভি শ্ৰে আদিৰ দৰে প্রকল্পবোৰৰ প্রচাৰ অভিযান চলাব লাগে। এনে প্রচাৰ অভিযানবোৰো প্রযোজনাৰ পাছৰ পর্যায়টোৰ অংশ।

তলত প্রযোজনাৰ বিভিন্ন পর্যায় আৰু কার্য সম্পাদন পদ্ধতিৰ এখন তালিকা তুলি দিয়া হ'ল।

স্ক্রিপ্ট সাজু কৰা চিন্তা-চর্চা	গৱেষণাৰ সমল সংগ্রহ, প্রয়োগ ক্রিয়া নির্দ্ধাৰণ
প্রাক্-প্রযোজনা পর্যায়	কাৰিকৰী আৰু অনা-কাৰিকৰী দিশৰ কলা-কুশলীৰ চূড়ান্ত বাছনি, দৃশ্যগ্রহণৰ স্থান নির্বাচন, যন্ত্র-পাতি সাজু কৰা, দৃশ্যসজ্জা অন্যান্য উপকৰণ সাজু কৰা, পৰিবহণ, স্পেশ্যাল এফেক্টৰ দিহা কৰা, প্রসাধন ব্যৱস্থা সাজু কৰা, ষ্ট'ৰীবোর্ড আৰু দৃশ্যগ্রহণৰ সময়সূচী প্রস্তুত কৰা, ইত্যাদি।

প্রযোজনা



শ্বট বিভাজন, প্রকৃত দৃশ্যগ্রহণ

ল'গিং টে'প সাজু কৰা, সম্পাদন, স্পেশ্যাল এফেক্টৰ যোগ দিয়া, ডাবিং, গ্রাফিকছ্ সংযোজন, প্রচাৰ অভিযান আৰু বিতৰণ

প্রযোজনাৰ পর্যায়

অগ্রগতি নিৰীক্ষণ

প্রশ্ননং 11åÃ প্রযোজনাৰ পর্যায় তিনিটা কি?

.....

.....

.....

প্রশ্ননং 12åÃ প্রযোজনাৰ কোনটো পর্যায় সবাতোকৈ গুৰুত্বপূর্ণ? কিয়?

.....

.....



.....

প্রশ্ন নং 13åÃ প্রযোজনাৰ পর্যায় তিনিটাৰ চমু ব্যাখ্যা দাঙি ধৰক।

.....

.....

.....

২.৮ üঅধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1¼ দৃশ্য-শ্রব্য মাধ্যম বুলিলে আমি ধ্বনি আৰু ছবি এই দুয়োটা উপাদান থকা মাধ্যমটোৰ কথা বুজোৱা হয়।

2¼ 1959 চনৰ 15 ছেপ্তেম্বৰত পৰীক্ষামূলকভাৱে ভাৰতত টেলিভিছন সেৱা আৰম্ভ কৰা হৈছিল। নতুন দিল্লীৰ আকাশবাণী ভৱনৰ চৌহদৰ ভিতৰত এটা অস্থায়ী ষ্টুডিঅ'ৰ পৰা অল ইণ্ডিয়া ৰেডিঅ'ৰ অংশ হিচাপে টেলিভিছন অনুষ্ঠান সম্প্রচাৰ কৰা হৈছিল।

3¼ 1975 চনত চৰকাৰে ছেটেলাইট ভিত্তিক টেলিভিছন সেৱাৰ সম্ভাৱনা পৰীক্ষা কৰিবলৈ

(SITE) কার্যসূচীৰ পাতনি মেলিছিল। ছেটেলাইট ইনষ্ট্রাকশ্যনেল টেলিভিছন এক্সপৰিমেন্ট' (SITE) নামৰ প্রকল্পটো দেশৰ আর্থ-সামাজিক বিকাশত ছেটেলাইট ভিত্তিক টেলিভিছন সেৱাই কেনে ভূমিকা পালন কৰিব পাৰে সেয়া পৰীক্ষা কৰি চাবলৈ তৈয়াৰ কৰা হৈছিল।

4। 976 চনত ভাৰতীয় টেলিভিছন ইতিহাসত এক উল্লেখযোগ্য ঘটনা সংযোজিত হ'ল। সেই বছৰতে দূৰদর্শনক আকাশবাণীৰ পৰা পৃথক কৰা হ'ল।

5। 1976 চনৰ পৰা দূৰদর্শনত বিজ্ঞাপন প্রচাৰ আৰম্ভ হয়।

6। 1982 চনত ভাৰতত ৰঙীন টিভিয়ে আত্মপ্রকাশ কৰে।

7। 1984 চনৰ পৰা ভাৰতৰ প্রথমখন থলুৱাভাৱে নির্মিত ধাৰাবাহিক 'হম লোগ' ৰ প্রচাৰ আৰম্ভ হয়।

8। 1991 চনত CNN -এ উপসাগৰীয় যুদ্ধৰ (Gulf War) পোনপটীয়া প্রচাৰ কৰি ভাৰতত আন্তঃৰাষ্ট্রীয় ছেটেলাইট টেলিভিছন সেৱাৰ পাতনি মেলে।

9। টেলিভিছন সংবাদ তলত উল্লেখ কৰা ধৰণৰ হ'ব পাৰে — বিদেশী আৰু ঘৰুৱা সংবাদ, মৌখিক অথবা লিখিত সংবাদ, দৃশ্য-শ্রব্য সংবাদ, সংযুক্ত সংবাদ, ফ্ল্যাশ্ব সংবাদ, বিস্তৃত সংবাদ, মন্তব্য সংলগ্ন অথবা ব্যক্তিগতকৃত সংবাদ, গতানুগতিক সংবাদ, ৰিপ'টেজ সংবাদ, আলেখ্য ৰচনা, কাহিনীৰ স্নিপেট আদি।

10। টেলিভিছন সংবাদ বুলিলে অথবা 'নিউজকাষ্ট' হ'ল সাম্প্রতিক ঘটনাৱলীৰ প্রতিবেদন প্রকাশ কৰা নিয়মীয়াকৈ প্রচাৰিত সূচীবদ্ধ টেলিভিছন অনুষ্ঠান।

11। টেলিভিছন প্রযোজনা এটা জটিল আৰু সময় খৰছী প্রক্রিয়া। ইয়াৰ বিভিন্ন বিভাগৰ বহুতা লোকৰ মাজত থকা সমন্বয় সাধন কৰা প্রয়োজন হয়। প্রযোজনাৰ পূর্বে বিস্তৃত পৰিকল্পনা কৰি ল'ব লাগে। পৰিকল্পনাবোৰক বাস্তৱ ৰূপ দিবলৈ যথেষ্ট দক্ষতা, সময় আৰু প্রচেষ্টাৰ প্রয়োজন।

12। প্রতিটো প্রযোজনাৰ কালত তিনিটা পর্যায়ত কাম সমাধা কৰা হয়। পর্যায় তিনিটা হ'ল — ক) প্রাক- প্রযোজনা পর্যায়, খ) প্রযোজনা আৰু গ) প্রযোজনাৰ পাছৰ পর্যায়।

২.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Belavadi, Vasuki (2013). Video Production. Oxford University Press.
2. Hyde, Stuart W (1983). Television and Radio Announcing. Houghton Mifflin Company.
3. Kundra, Shipra (2005). Basic Audio Visual Media. Anmol Publications

Pvt. Ltd.

4. Luthra, H.R. (1986). Indian Broadcasting. Publications Division

5. Ninan, Sevanti (1995). Through the Magic Window : Television and change in India.

6. Wadia, Angela (2007). Broadcast Management in India : Major Guidelines and Policy Frameworks. Kanishka Publishers Distributors.

২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 1959চনত

২ নং প্রশ্নৰ উত্তৰ ঃ ATS-6

৩ নং প্রশ্নৰ উত্তৰ ঃ অল ইণ্ডিয়া ৰেডিঅ'

৪ নং প্রশ্নৰ উত্তৰ ঃ ছ'প ধাৰাবাহিক

৫ নং প্রশ্নৰ উত্তৰ ঃ CNN

৬ নং প্রশ্নৰ উত্তৰ ঃ দূৰদর্শন

৭ নং প্রশ্নৰ উত্তৰ ঃ ডিডি-স্প'টছ

৮ নং প্রশ্নৰ উত্তৰ ঃ ইউৰ'বার্ড

৯ নং প্রশ্নৰ উত্তৰ ঃ সংবাদৰ উপাদানসমূহক তিনিটা ভাগত ভগাব পাৰি ঃ সংবাদ (News), সংবাদ প্রতিবেদন (Reports), সংবাদ আলেখ্য (Features)। সংবাদ উপাদানৰ মৌলিক ভাগ তিনিটা হ'ল — সংবাদ প্রতিবেদন আৰু আলেখ্য। সংবাদ আৰু সংবাদ প্রতিবেদনৰ মাজত থকা প্রভেদটো হ'ল সময়ৰ জোখ আৰু ঘটনাৰ বিৱৰণী আগবঢ়োৱাৰ ধৰণ অনুসৰি সংবাদ প্রতিবেদন সাধাৰণ সংবাদতকৈ অধিক ব্যাপক। বাতৰি পঢ়োতাই প্রধান তথ্য এটা সদৰি কৰাৰ পাছত সংবাদদাতাই ঘটনাস্থলীৰ পৰা বিস্তৃত প্রতিবেদন দাখিল কৰে। তাৰ পাছত কোনো তৃতীয় পক্ষৰ সাক্ষাৎকাৰ অথবা কথোপকথন সম্প্রচাৰ কৰা হয় আৰু সংবাদদাতাই ঘটনা সন্দর্ভত আৰু অধিক তথ্য আগবঢ়ায়। সংবাদ প্রতিবেদন সদায় দৃশ্য-শ্রব্য উপাদানৰ সহায়ত প্রস্তুত কৰা হয়। আলেখ্যৰ আকৌ চাৰিটা প্রধান ভাগ আছে — সমালোচনাত্মক, ব্যক্তিকেন্দ্রিক, উপলক্ষ্যভিত্তিক আৰু চিন্তা উদ্বেগকাৰী আলেখ্য। বোলছবি আৰু ছপা মাধ্যম সাংবাদিকতাৰ এটা বিভাগ ৰূপে ইয়াত আলেখ্যৰ বিভিন্ন উপাদান নিহিত থাকে। ইয়াৰ বিষয়বস্তুৰ ভিতৰত থাকে কোনো বিশেষ ঘটনা, জৰুৰী ব্যক্তিগত বিষয় অথবা সমস্যাৰ বিশ্লেষণ, মূল্যাংকন আৰু সৰলীকৰণ। সংবাদ আৰু

সংবাদ প্রতিবেদনতকৈ আলেখ্যৰ প্রকৃতি কিছু বেলেগ। সংবাদ আলেখ্যত কোনো জ্ঞাত অথচ উল্লেখযোগ্য ঘটনাৰ পুনৰ গঠন কৰা হয় আৰু ব্যাখ্যা আগবঢ়োৱা হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ মৌখিক আৰু দৃশ্যমান উপাদানৰ মাজত থকা প্রভেদৰ ভিত্তিত সংবাদক প্রধানকৈ তিনিটা ভাগত ভগোৱা হয়।

: **মৌখিক অথবা লিখিত সংবাদ ঃ** বাতৰি পঢ়োতাই এনে সংবাদ কেৱল পঢ়ি যায়। ষ্টুডিঅ'ৰ দৃশ্যসজ্জাৰ বাহিৰে আন কোনো দৃশ্য উপাদান উপস্থিত নাথাকে।

: **দৃশ্য-শ্রব্য সংবাদ ঃ** ভয়ছ অ'ভাৰ শিল্পীয়ে সাধাৰণতে এনে সংবাদ পঢ়ে। সংবাদ পঢ়ি থকাৰ সময়ত গতিশীল ছবি টিভি পর্দাত দেখা পোৱা যায়।

: **সংযুক্ত সংবাদ ঃ** বাতৰি পঢ়োতা, স্থিৰচিত্র , ভয়ছ অ'ভাৰ, মানচিত্র , আঁচনি, গোটেই পর্দা অথবা ৰেখাচিত্র আদি বিভিন্ন উপাদানৰ সংমিশ্রণেৰে প্রস্তুত কৰা সংবাদেই হ'ল সংযুক্ত সংবাদ।

১১ নং প্রশ্নৰ উত্তৰ ঃ প্রযোজনাৰ পর্যায় তিনিটা হ'ল — i) প্রাক-প্রযোজনা পর্যায়, ii) প্রযোজনা পর্যায় আৰু iii) প্রযোজনাৰ পাছৰ পর্যায়।

১২ নং প্রশ্নৰ উত্তৰ ঃ প্রযোজনাৰ সবাতোকৈ গুৰুত্বপূর্ণ পর্যায়টো হ'ল প্রাক-প্রযোজনা পর্যায়। কাৰণ, প্রাক্প্রযোজনা কালত কৰা পৰিকল্পনাৰ ওপৰতে চূড়ান্ত কার্যসূচীৰ সফলতা-বিফলতা নির্ভৰশীল। যদি এই পর্যায়ত সকলো পৰিকল্পনা ভালদৰে কৰি লোৱা হয়, তেন্তে দৃশ্যগ্রহণ আৰু সম্পাদনা কালত কোনো বেমেজালিৰ সৃষ্টি নহয়। সুপৰিকল্পিত প্রকল্প এটা সুকলমে সমাধা কৰিব পৰা যায়।

১৩ নং প্রশ্নৰ উত্তৰ ঃ ক) প্রাক-প্রযোজনা পর্যায়ঃ এই পর্যায়ত প্রযোজনাৰ মৌলিক চিন্তা-চর্চা আৰু কাম আগবঢ়াই নিয়াৰ পদ্ধতি বিকাশ কৰা হয় তথা কামবোৰক গতি প্রদান কৰা হয়। প্রাকৃ- প্রযোজনা কালত প্রধান শিল্পী, কলা-কুশলী আৰু প্রযোজনা সদস্যসকলক বাছনি কৰা হয়। এই পর্যায়তে সকলো প্রধান উপাদান সম্পর্কীয় পৰিকল্পনা কৰি লোৱা হয়। দৃশ্যসজ্জা, পোহৰ সজ্জা, শব্দ গ্রহণ এই তিনিটা বিষয়ৰ এলানি প্রযোজনা বৈঠক অনুস্থিত কৰি সাৱধানতা সহকাৰে সমন্বয় সাধন কৰা হয়। এই পর্যায়ত গৱেষণা কৰি স্ক্রিপ্ট সাজু কৰা হয়। লগতে দৃশ্যগ্রহণৰ স্থানো বাছনি কৰা হয়।

খ) প্রযোজনা পর্যায়ঃ এই পর্যায়টোত সকলোবোৰ পৰিকল্পনা কার্যকৰী কৰি অনুষ্ঠান এটা চূড়ান্ত ৰূপ প্রদান কৰা হয়। এই পর্যায়তে প্রকৃত দৃশ্যগ্রহণ (ৰেক'ডিং অথবা পোনপটীয়া সম্প্রচাৰ) কৰা হয় আৰু প্রাক- প্রযোজনাৰ পর্যায়ৰ পৰিকল্পনাবোৰে বাস্তৱ ৰূপ লাভ কৰে।



গ) প্রযোজনাৰ পাছৰ পর্যায়ঃ এইটো হ'ল প্রযোজনাৰ সর্বশেষ পর্যায়। ইয়াত দৃশ্যগ্রহণ কৰা সমলবোৰৰ সংশোধন আৰু সম্পাদনা কৰি একোটা সম্পূর্ণ অনুষ্ঠান ৰূপ দিয়া হয়। তাৰ পাছত অনুষ্ঠান এটা সম্প্রচাৰ আৰু বিতৰণৰ বাবে সাজু হৈ উঠে। বোলছবি, সংগীতৰ এলবাম নাইবা টিভি শ্বো আদিৰ দৰে প্রকল্পবোৰৰ প্রচাৰ অভিযান চলাব লাগে। এনে অভিযানবোৰো প্রযোজনাৰ পাছৰ পর্যায়টোৰ অংশ।

২.১১ সম্ভাব্য প্রশ্ন

প্রশ্ন 1¼ দৃশ্য-শ্রব্য মাধ্যমৰ প্রধান বৈশিষ্ট্যসমূহ বর্ণনা কৰি এটা বিস্তৃত টোকা প্রস্তুত কৰক।

প্রশ্ন 2¼ ভাৰতত ব্যক্তিগত ছেটেলাইট ছেনেলেৰ বিকাশ সম্পর্কে আলোচনা কৰক।

প্রশ্ন 3¼ ব্যক্তিগত ছেটেলাইট ছেনেলে দূৰদর্শনৰ ওপৰত কেনে প্রভাৰ পেলোৱা বুলি আপুনি ভাবে?

প্রশ্ন 4¼ ভাৰতত টেলিভিছনৰ বিকাশৰ পৃষ্ঠপোষকতা কৰাত কি কি কাৰকে সহায় কৰিছিল?

প্রশ্ন 5¼ কেনেদৰে বিদেশী ছেটেলাইট ছেনেলবোৰ ভাৰতৰ প্রচাৰ মাধ্যম জগতখনলৈ বৈপ্লৱিক পৰিৱর্তন কঢ়িয়াই আনিছে?

প্রশ্ন 6¼ টেলিভিছন সংবাদৰ প্রকাৰসমূহ কি কি?

প্রশ্ন 7¼ প্রযোজনাৰ পর্যায় তিনিটা কি কি? প্রতিটো পর্যায়ৰ গুৰুত্ব কিমান?

প্রশ্ন 8¼ "প্রযোজনাৰ সবাতোকৈ গুৰুত্বপূর্ণ পর্যায়টো হ'ল প্রাক্-প্রযোজনা পর্যায়।" উদ্ধৃতিটোৰ সৈতে আপুনি একমতনে? কিয়?

প্রশ্ন 9¼ প্রযোজনা পর্যায়ত সকলোবোৰ পৰিকল্পনা কার্যকৰী কৰি অনুষ্ঠান এটাক চূড়ান্ত ৰূপ প্রদান কৰা হয়। — ব্যাখ্যা কৰক।